# A

PROJECT ON

# MANASH NATIONAL PARK AS A TOURIST PLACE

**<u>SUBMITTED BY</u>**


NAME:- Fatema Begum

B.A. 3rd SEM. ROLL NO:-UA-201-362-0148

TO THE DEPARTMENT OF HISTORY, HATIDHURA COLLEGE, HATIDHURA





PRINCIPAL,

DR. FARID UDDIN AHMED

HATIDHURA COLLEGE,

HATIDHURA

Principal
Hatidhura College, Hatidhura

**SUPERVISIOR**

DR. AMINUR RAHMAN

DEPT. HISTORY

HATIDHURA COLLEGE

# Declaration

I, Fatema Begum, Reading B.A. 3rd Semester bearing Roll No. UA-201-362-0148 here by declare that the Project entitled "Manas National Park" as a tourist Place is done by me under the Supervision of * Dr. Aminur Rahman, Asstt. Prof, Dept. of History. On 25 January, 2022 and the Said Project is Submitted to the Department of History, Hatidhura College, Hatidhura.

This Project is an independent Work done by me.

Name_ Fatema Begum.

Class_ B.A. 3rd Semester.

Roll no. ~~126~~ UA-201-362-0148

28/1/22

Principal
Hatidhura College, Hatidhura

# * সূচী পত্ৰ *


| | | পৃষ্ঠা |
|---|---|---|
| 1. | মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ইতিহাস | 1-3 |
| 2. | মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভৌগলিক অৱস্থান | 4-5 |
| 3. | মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চাৰিসীমা | 6-7 |
| 4. | মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ আকৰ্ষণ | 8-10 |
| 5. | মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ উদ্ভিদ ৰাজি | 11-12 |
| 6. | পৰ্যটন স্থলী মানাহ ৰাষ্ট্ৰীয় উদ্যান | 13-14 |
| 7. | পৰ্যটন স্থলীত চৰকাৰৰ ভূমিকা | 15-17 |
| 8. | যোজনা শিৰোনামিত | 18-21 |

Expt. No.



# *মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ইতিহাস*

হিমালয়ৰ পাদদেশত অৱস্থিত মানাহ ৰাষ্ট্ৰীয় উদ্যানত ব্যাঘ্ৰ প্ৰকল্প আৰু আপুৰুজীয়া নল-গাহৰীৰ বাবে বিখ্যাত। এই ৰাষ্ট্ৰীয় উদ্যানখনৰ অৱস্থিতি ২৬°৩৫ উত্তৰ অক্ষাংশৰ পৰা ২৬°৫০ উত্তৰ অক্ষাংশৰ আৰু ৯০°৪৫' পূব দ্ৰাঘিমাংশৰ পৰা ৯১°১৫ পূব দ্ৰাঘিমাংশৰ ভিতৰত। অসমৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, বজালী, দৰং, ওদালগুৰি, বঙাইগাঁও জিলাৰ একো অংশ আৰু ভাৰত ভূটান আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ এক বিশাল বনাঞ্চলক সামৰি এই ৰাষ্ট্ৰীয় উদ্যানখন গঠিত হৈছে। মূল মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বিস্তৃতি ৯৫০ বৰ্গ কিলোমিটাৰ। ইয়াৰ লগত অন্য ওঠৰ খন সংৰক্ষিত বনাঞ্চল সংযোগ হৈ আছে। এই সকলোবোৰৰ মুঠ বিস্তৃতি প্ৰায় ২,৮৩৭ বৰ্গ কিলোমিটাৰ ১৯৯৯ চনত ইউনেস্কো-ৰ দ্বাৰা অৰ্ম্যাত জীৱমণ্ডলীত সংৰক্ষন ক্ষেত্ৰত হিচাপে ঘোষনা কৰা হয়।

মানাহ ৰাষ্ট্ৰীয় উদ্যান সম্পৰ্কে কিছু তথ্য তলত ক্ৰম অনুসৰি সজোৱা হ'ল:—

মানাহ ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰতে সৰ্বাধিক সংখ্যক দুষ্প্ৰাপ্য প্ৰজাতিৰ বন্য জীৱ-জন্তুৰ বিচৰণ ভূমি হিচাপে পৰিচিত। এসময়ত উদ্যানখন কোচবিহাৰৰ ৰজাৰ মৃগয়াৰ স্থলী হিচাপে ব্যৱহাৰ কৰিছিল।
১৯০৫ চনতে মানাহক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষনা কৰাৰ প্ৰস্তাৱ লৈছিল যদিও ১৯০৮ চনতহে এই প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ৩৬০ বৰ্গ কিলোমিটাৰ বন এই সংৰক্ষিত বনাঞ্চল মনক ১৯২৮ চনত ১ অক্টোবৰত মানাহক অভয়াৰণ্য হিচাপে

Nalanda

Teacher's Signature

ঘোষনা কৰা হয়। ৩৬০ বৰ্গকিলোমিটাৰ বনভূমিৰ মানাহক অভ-
-য়ৰণ্য হিচাপে ঘোষনা কৰা হয়। আৰু ২,৮৩৭ বৰ্গকিলোমিটাৰ
আমাৰি ১৯৭৩ চনত লুপ্তপ্ৰায় ঢেঁকীয়া পতীয়া বাঘৰ সংৰক্ষণৰ
বাবে 'ব্যাঘ্ৰ প্ৰকল্প' হিচাপে ঘোষণা কৰা হয়। ১৯৫০ চনত মা-
-নাহক বন্যপ্ৰান অভয়ৰণ্য হিচাপে ঘোষনা কৰা হয়। ১৯৯০
চনত মানাহক ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষনা কৰে।

১৯৫১ চনৰ পৰা ১৯৫৫ চনৰ ভিতৰত অঞ্চলটোত
৩৬০ বৰ্গ কিলোমিটাৰৰ লগত ৩৯১ বৰ্গ কিলোমিটাৰলৈ বঢ়োৱা
হয়। ২০০৮ চনত ২৫ ফেব্ৰুৱাৰীৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ
মাটিকালি পুনৰ ৯৫০ বৰ্গ কিলোমিটাৰলৈ বৃদ্ধি কৰা হয়।
২০০৩ চনত ইয়াৰ এক্কাংশ বনভূমিক কেন্দ্ৰীয় হাতী সংৰক্ষিত
বনাঞ্চল হিচাপে ঘোষনা কৰা হয়।

বোৰাং চিকাৰ আৰু সন্ত্ৰাসবাদীৰ কাৰ্য-
-কলাপৰ ক্ষতিৰ বা ১৯৯২ চনত ইউনেস্ক'য়ে উদ্যানখনক
World Heritage Site in Danger বিশ্ব ঐতিহ্য স্থান বিপদা-
-পন্ন বুলি ঘোষনা কৰিছিল। পাছত ২০১১ চনৰ ২১ জুনত
ঐতিহ্য স্থান বিপদাপন্নৰ পৰা মানাহৰ নামটো উঠোৱা
হয়। উল্লেখ্য যে উদ্যানখনৰ ভাৰত ভূমিৰ মস্তক ৰাষ্ট্ৰীয় উদ্যা-
-ন আৰু ভূটান ভূমিৰ মস্তক ৰয়েল মানাহ বুলি কোৱা হয়।
মানাহ শব্দটোৰ উৎপত্তিৰ সম্পৰ্কে জনা যায় যে অঞ্চল-
-টো এটা গুহাত সৰ্পদেৱী মনসাই পূজা কৰিছিল।
সৰ্পদেৱী মনসাৰ গুহাটোৰ কাষেৰে বৈ যোৱা নদীখনৰ
উত্তৰ নাম মানস আৰু মানাস নদীৰ পৰাই উদ্যানখনৰ নাম-
-টো মানাহ হয়। মানাহ ৰাষ্ট্ৰীয় উপানি উদ্যানখনৰ মাজে-
-ৰে বৈ গৈছে। ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ সৰু বৰ উপনদী

Expt. No.



Date

১০৪ খনৰ ভিতৰত মানাহ আৰু বেকীয়েই প্ৰধান। দুয়োখন উপ-নদীৰে উৎপত্তি স্থল হ'ল হিমালয় পৰ্বত। জনশ্ৰুতি মতে ব্ৰহ্মপুত্ৰ নদীখন হিমালয়ৰ মানসৰ সৰোবৰৰ হ্ৰদৰ পৰা ওলাই অহাৰ দৰে মানাহ নদীখনো একে স্থানত পৰাই ওলাই আহিছে মানস সৰোবৰৰ পৰা ওলাই অহাৰ বাবে নৈ খনৰ নাম মানাহ আৰু উদ্যানখনৰ নামো:—(Manas National Park) মানাহ হয়।

মানাহ ৰাষ্ট্ৰীয় উদ্যানক পাঁচটা ভাগত ভাগ কৰা হৈছে:—

(ক) পানবাৰী (Panbari Range)।

(খ) কাকিলাবাৰী (Kakilabari Range)।

(গ) ভূঞাপাৰা (Bhuiyapara Range)।

(ঘ) কাহিটেমা (Kahitema Range)।

(ঙ) বাঁশবাৰী (Bashbari Range)।

মানাহ ৰাষ্ট্ৰীয় অভয়াৰণ্যখন প্ৰায় ৬০ খনতকৈ অধিক গাঁৱে আগুৰি আছে। মানাহ ৰাষ্ট্ৰীয় উদ্যান জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ। ইয়াত বৰ্তমান লৈকে ৫৪৩ বিধ বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ স্তনপায়ী ৫০ বিধ ভিন্ন প্ৰজাতিৰ সৰীসৃপ পোৱা যায়।

Nalanda

Teacher's Signature ..................





# *মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভৌগোলিক অৱস্থান*

অসম ভূটান সীমান্তত প্ৰায় ৩৯১ বৰ্গ কিলোমিটাৰ মাটি কালিৰ আৱৰি থকা মানাহ ৰাষ্ট্ৰীয় উদ্যান অসমৰ ২য় খন ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি প্ৰাপ্ত। ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশে অৱস্থিত ৰাষ্ট্ৰীয় উদ্যানখন বৰপেটা জিলা আৰু বঙাইগাওঁ জিলাৰ সমীপত তথা বি,টি,এ,ডি ৰ বাক্সা আৰু চিৰাং জিলাক আগুৰি আছে। পৃথিৱীৰ মানচিত্ৰত ৯১°৩১ পূৱৰ পৰা ৯২°০০ পূব দ্ৰাঘিমাংশ আৰু ২৬°৩০ উত্তৰৰ পৰা ২৭°০০ উত্তৰ অক্ষাংশত এই ৰাষ্ট্ৰীয় উদ্যান অৱস্থিত। সাগৰ পৃষ্ঠৰ পৰা উদ্যানখনৰ উচ্চতা দক্ষিণে ৪০ মিটাৰৰ পৰা উত্তৰ দিশত ২০০ মিটাৰ মানাহ ব্যাঘ্ৰ সংৰক্ষিত অঞ্চল অসমৰ পাঁচখন জিলাৰ বিভিন্ন অংশ লৈ গঠিত হৈছে কোকৰাঝাৰ, চিৰাং, বাক্সা, ওদালগুৰি আৰু দৰং জিলা। ৰাষ্ট্ৰীয় উদ্যান খনক তিনিটা ৰেঞ্জত বিভক্ত কৰা হৈছে। পশ্চিমৰ পানবাৰীত কেন্দ্ৰীয়ৰেঞ্জ বৰপেটা ৰোডৰ ওচৰৰ বাঁহবাৰীত আৰু পূৱৰ ৰেঞ্জটো পাঠশালাৰ সমীপৰ ভূঞাপাৰাত অৱস্থিত।

ব্ৰহ্মপুত্ৰৰ প্ৰধান উপনৈ মানস এই ৰাষ্ট্ৰীয় উদ্যানৰ পশ্চিম দিশেৰে বৈ গৈ দুখন উপনৈত বিভক্ত হৈছে বেঁকী আৰু বেলকাডুবা।
মানাসৰ উপৰিও অন্য পাঁচখন উপনৈ মানস ৰাষ্ট্ৰীয়

নদীৰ পৰা পূবে ধনশিৰি নদীলৈকে এই ৰাষ্ট্ৰীয় উদ্যান ঘন বিস্তৃতৰে আছে। এই ৰাষ্ট্ৰীয় উদ্যান ভূটানৰ ৰয়েল মানস ৰাষ্ট্ৰীয় উদ্যানৰ সৈতে সংলগ্ন হৈ আছে।

মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰ্দ্ৰক্ৰান্তীয় মণ্ডলৰ অন্তৰ্ভুক্ত আৰু ইয়াৰ জলবায়ু সেমেকা তথা ক্ৰান্তীয় বৰ্ষ-নয়। এই ৰাষ্ট্ৰীয় উদ্যান বহুতো আপুৰুগীয়া তথা লুপ্ত প্ৰায় বন্য প্ৰাণী যেনেঃ— নলগাহৰি, সোণালী বান্দৰ আদিৰ বাসস্থান হিচাপে খ্যাত।

বনৰীয়া মহৰ অন্যতম প্ৰধান আশ্ৰয়স্থলী হিচাপেও বাবেও মানস ৰাষ্ট্ৰীয় উদ্যানৰ খ্যাতি আছে।

# * মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চাৰিসীমা *

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চাৰিসীমা কো-কৰাঝাৰ জিলাৰ বৰ্গ ফুট এলেকাৰ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানখনৰ সৈতে সংযুক্ত হৈ আছে।

মানাহ পূব হিমালয় পাদদেশত অৱস্থিত আৰু ঘন অৰণ্যযুক্ত। মানস নদী উদ্যানখনৰ পশ্চিমৰ মাজেৰে বৈ গৈছে আৰু ইয়াৰ ভিতৰত এইখন নদীয়েই মুখ্য নদী।

উদ্যানসমূহৰ এলেকাৰ নিম্নলিখিত জিলাসমূহ পাৰে। সেইবোৰ হ'ল স্বায়ত্তশাসিত আঞ্চলিক অঞ্চলত চিৰাং, বাক্সা অৰ্থাৎ ভাৰতৰ অসম ৰাজ্যৰ বিটিচি আৰু। উদ্যানখন তিনিটা পৰিসৰত বিভক্ত কৰা হৈছে। পশ্চিম পৰিসৰটো পানবাৰীত অৱস্থিত, বৰপেটা ৰোডৰ ওচৰৰ বনচৰাবাৰীত কেন্দ্ৰীয় আৰু পাটশালাৰ ওচৰৰ ভুঁইয়া পাৰাত পূব পৰিসৰটো অৱস্থিত। মানাহ ৰাষ্ট্ৰীয় উদ্যানখনৰ ১৯৫১ চনৰ পৰা ১৯৫৫ চনৰ ভিতৰত অঞ্চলটো ৩৬০ বৰ্গকিলোমিটাৰৰ লগত ৩৯১ বৰ্গকিলোমিটাৰলৈ বঢ়োৱা হয়।

২০০৮ চনৰ ২৫ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় উদ্যানখনৰ মুঠ কালি ৯৫০ বৰ্গ কিলোমিটাৰলৈ বৃদ্ধি হয়।
মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে বৈ যোৱা মানস নদীখনে ভাৰত আৰু ভূটানক বিভক্ত কৰা এক আন্তৰ্জাতিক হিচাপে কাম কৰে।
উদ্যানখনৰ ভাভাৰ এলেকাৰ আধাৰ চুনাশিল আৰু বেলেগ শিলেৰে গঠিত।

এই উদ্যানখনৰ উত্তৰে ভূটান, দক্ষিণে বাঁহবাৰী, জালাজিগুৰি কাটাকাৰ গাওঁ, পশ্চিমে সোনাকোষ

উদ্যানৰ মাজেৰে বৈ গৈছে।

মানাসৰ মুঠ মাটিকালি ৫০০ বৰ্গ কি:মি: আৰু ই সাগৰ পৃষ্ঠাৰ পৰা ৬১-১১০ মিটাৰ উচ্চতাত অৱস্থিত।

Expt. No.



# মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ আকৰ্ষণ

বন্যপ্ৰাণীৰ আকৰ্ষণত কেইটামান ভাগ হ'ল:—

(A) স্তন্যপায়ী প্ৰাণী যেনে:- বিভিন্ন প্ৰজাতিৰ বাঘ, বিভিন্ন প্ৰজাতিৰ হৰিণ, বিভিন্ন প্ৰজাতিৰ বান্দৰ,

(B) সৰীসৃপ প্ৰাণী।

(C) বিভিন্ন প্ৰজাতিৰ পক্ষীকুল।

(D) বিভিন্ন প্ৰজাতিৰ বন্যমাছ।

মানাহ ৰাষ্ট্ৰীয় উদ্যানখনক প্ৰায় ৫০ বিধ স্তন্যপায়ী প্ৰাণী, ৪২ বিধ সৰীসৃপ, ৭ বিধ উভচৰ প্ৰাণীৰ বিচৰণস্থলী হোৱাৰ লগতে ভাৰতৰ বন্য জীৱ (ৰক্ষণা বেক্ষন) আইনৰ প্ৰথম অনুসূচীৰ অন্তৰ্ভুক্ত সৰ্বাধিক সংখ্যক স্তন্যপায়ী প্ৰাণীৰ আশ্ৰয় স্থল হিচাপেও বিশ্বসভাৰ স্বীকৃত। মানাহ ৰাষ্ট্ৰীয় উদ্যানত থকা স্তন্যপ্ৰায়ী প্ৰানীবোৰ ভিতৰত আছে।

স্তন্যপ্ৰায়ী :— সোণালী, বান্দৰ, বাঘজহামাল, নলগাহৰি, মহ, গড়, হাতী, টুপী পিন্ধা, বান্দৰ, হলো বান্দৰ, মলুৱা বান্দৰ, গোবাঘুকুটা, মাগাৰিকটা শাহা, বা দল খৰিয়া, সুগাৰি পহু, দল হৰিণ, সোনালী মেকুৰী, নাহৰফুটুকী, বাঘ, লতামাকৰি, মাটিভালুক, শৰপহু, মাছুৱা মেকুৰী, ভালুক মেকুৰী, বনৰো আদি। ১৯৮০ চনৰ পিয়লৰ মতে, মানাহ ব্যাঘ্ৰ মূল অংশত ১২৩টা

Nalanda

Teacher's Signature ..............................

Expt. No.


Date

বাঘ আছিল যদিও:- ১৯৯৫ চনত সংখ্যা ৮০ টা লৈ হ্ৰাস পায়। ভূটানৰ বনাঞ্চলীয় এলেকাৰ পৰা সোনকোষ নদীলৈকে ভেৰখ্যা-ভাৰতীকে অধিক সোনালী বান্দৰে এতিয়াও বিচৰণ কৰি ফুৰে বুলি জনা যায়। স্তন্যপায়ী প্ৰাণীৰ উপৰি এই ৰাষ্ট্ৰীয় উদ্যানত বিভিন্ন ধৰণৰ সৰীসৃপ বিলাক হ'ল:—

সৰীসৃপ:— ফেঁটী সাপ, জৈইপাৰ, ৰাজফেঁটী, অজগৰ, উৰ-নীয়া সাপ।

উদ্যানখনৰ জলাশয়সমূহত প্ৰায় ৫০ টাকৈ অধিক প্ৰজাতিৰ মাছ চিনাক্ত কৰা হৈছে। তদুপৰি উদ্যানখন অসংখ্য কীট পতংগ আৰু নানান জাতৰ বং বিৰ বিৰঙৰ পখিলাৰো বাসস্থান।

পক্ষীকুল:- বগলী, বৰটোকোলা, পেলিকান, বানুৰা, ঈগল, ধনেশা, চিলনী, আৰিং উন্নুমৰা, ইটাগুড়ীয়া কাঞ্চন, কুলী, ফেচাঁ, বালি ঘোঁৰা, হুঁয়কালি, অযিয়তী মাছৰোকা, শেন, বৰবগ, বুলবুলি, ফেঁচু, কপৌ শাৰালি, টোকচকোৰা,

দীঘলনেজী বা ৩১২ বিধৰা অধিক প্ৰজাতিৰ স্থানীয় আৰু পৰিভ্ৰমী চৰাই দেখিবলৈ পোৱা যায়। ৰাষ্ট্ৰীয় উদ্যানখনৰ বীণাবাৰীৰ মূল প্ৰৱেশদ্বাৰত ময়ূৰৰ পালি ৰ-বাৰ দৃশ্যই দেশী বিদেশী পৰ্যটকক সদায় আকৰ্ষিত কৰি আহিছে।

উভচৰ:- কাছ, ঘৰিয়াল।

Nalanda

Teacher's Signature ..........

Expt. No.



**বন্যমাছ:-** চিতল, কৰতি, বাহু, খিৰিকি, আৰি, মোকা বোৱা, শাল, পুঠি, নেপুৰা, কুৰকুৰিয়া, বামি, চেং, তুৰা, গেদগেদী, বৰলি, যিয়া, বাতিয়া কান্দুলী, বৌ, কলিয়াঝোৰা ইত্যাদি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ জলাশয়ত থকা মাছ সমূহ মানুহে নিজ ইচ্ছা মতে মাৰিব নোৱাৰে বাবে মাছৰ বংশ বিস্তাৰ ঘটে আৰু মাছৰ আকাৰো ডাঙৰ হয়। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কিছুমান পক্ষী আৰু স্তন্যপায়ী প্ৰাণীৰ বাচি থকা কাৰ্য নিৰ্ভৰ কাৰে জলাশয় সমূহৰ থকা মাছৰ ওপৰত।

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ জলাশয় বোৰত মাছ মাৰিবৰ বাবে জাল বা বৰশী বাওঁতে আগতে চৰকাৰক কৰ দিব লগা হয়। তাৰ পিছত জলাশয়ত বৰশী বোৱাঁত চৰকাৰে অনুমতি দিয়ে।

বৰশী বোৱাত চকচয় থকা লোকৰ বাবে মানাহৰ ৰাষ্ট্ৰীয় উদ্যান ভূ-স্বৰ্গৰ হৈ নিৰ্দ্ধাৰিত ৰাজহ বিনিময়ত মানাহ, বেকী, শাকুৰাত, পৰ্যটকক বৰশী বাবলৈ দিয়া হয়। দুষ্প্ৰাপ্য জাতৰ মাছ মানাহৰ উন্নতম সম্পদ। মানাহৰ ৰাষ্ট্ৰীয় উদ্যানৰ ভিন্ন জলাশয়, খাল, বিল আদিত। ৫৪ বিধ প্ৰজাতিৰ মাছ পোৱা যায়। মানাহৰ ৰাষ্ট্ৰীয় উদ্যানৰ বিভিন্ন প্ৰজাতিৰ চৰাই আৰু স্তন্যপায়ী বন্য জীৱসমূহ জলাশয় বা বিল সমূহত পোৱা মাছ খাই পেট প্ৰগতন কৰে।

Nalanda

Teacher's Signature ..............................



# * মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ উদ্ভিদ ৰাজি *

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দেখিবলৈ পোৱা প্ৰধান উদ্ভিদ সমষ্টি (vege--tation)ৰ প্ৰকাৰ সমূহ হ'ল:-

* উপ হিমালয়ৰ পলসুৱা মাটিৰ অৰ্ধ চিৰসেউজ অৰ-ণ্য (Sub-Himalaya Alluvial Semi-Evergreen forests)

* পূব হিমালয়ৰ আৰ্দ্ৰ মিশ্ৰিত পৰ্ণপাতী অৰণ্য (East Himalayan mixed moist and Dry Deciduous forests)

* নামনিৰ পলসুৱা মাটিৰ ঘাঁহনি আৰু অৰণ্য (Low Alluvial Savama woodland) আৰু

* অসম উপত্যকাৰ পলসুৱা মাটিৰ অৰ্ধ চিৰসেউজ ঘাঁহনি (Assam Valley Semi-Evergreen Alluvial Grasslands)।

মানাস ৰাষ্ট্ৰীয় উদ্যানত বৰ্তমানলৈকে সৰ্বমুঠ ৫৪৩ বিধৰ উদ্ভিদৰ প্ৰজাতি পোৱা গৈছে। ইয়াৰ ভিতৰত ৩৭৪ বিধ দ্বিবীজপত্ৰী (৮৯ বিধ বৃক্ষকে ধৰি) ১৩৯ বিধ একবিজপত্ৰী আৰু ৩০ বিধ টেকীয়াজাতীয় উদ্ভিদ।

এই উদ্যানৰ এক বিস্তীৰ্ণ অঞ্চল ঘাঁহ জাতীয় উদ্ভিদেৰে পৰিপূৰ্ণ। ইয়াত থকা ঘাঁহ জাতীয় উদ্ভিদ সমূহ হ'ল:- বিভিন্ন প্ৰকাৰৰ খেৰ, ইকৰা, খাগৰি, নল ইত্যাদি। বনাঞ্চ-লৰ ভিতৰ অঞ্চল সমূহত বিভিন্ন প্ৰকাৰৰ সৰু, বৰ গছ যেনে:-

Aphanamixis Polystachya, Anthocephalus chinensis, জামুক (Sy-zygium cumini), S. formosum, S. oblatum বহুত বনাৰিজল (Bau-hinia purpurea), Mallotus Philippensis, Cinnamomum tamala, Actinodaphne obvata, শিমলু (Bombax ceiba) Sterculia Villosa ঔ-টেঙা (Dillenia indica) D. Pentagyna, Carega arborea, Lager-stroemia Parviflara, L. Speciasa, Terminalia bellirica, ~~Par~~ T. Chebula, Trewia Dolycarpa, Gmelina arborea, Oroxylum indicum ইত্যাদি পোৱা যায়। বিজ্ঞানী সকলে উদ্যান খনত পাঁচশতীকৈ অধিক প্ৰজাতিৰ উদ্ভিদ চিনাক্ত কৰিছে। তৃণ, ~~বৃক্ষ~~ বৃক্ষ, গুল্ম, লতা জাতীয় উদ্ভিদ আদিৰ বিষয়ে আলোচনা কৰা হৈছে। বিশ্বৰ দুষ্প্ৰাপ্য ময়ূৰ গছৰ উপৰিও ভোতাঘিলা, শিৰীষ, মেজদংকাৰি মনিহাল, বহঁত আদি বিভিন্ন গছ-গছনি আদিৰ বিষয়ে আলোচনা কৰা হৈছে।

মানাহ ৰাষ্ট্ৰীয় উদ্যানত উদ্ভিদ ৰাজিৰ বাহিৰে-ও বিভিন্ন বৰণৰ ফুল গছ দেখা পোৱা যায়। সেইবোৰৰ ভিতৰত কেইটা ফুল হ'ল যেনে:- পলাশ, মদাৰ, শিমলু লগতে বিভিন্ন জাতৰ কপৌ ফুলৰ বিষয়ে ইংগিত দিয়া হৈছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত বিভিন্ন বৰণৰ ফুলে ফুলৰ ~~সুবাস~~ সুবাসেৰে মুগ্ধ কৰি ৰাখিছে।

## "পৰ্যটন স্থলী হিচাপে মানাহ ৰাষ্ট্ৰীয় উদ্যান":

অসমত বিভিন্ন ভৰপূৰ উদ্যান সমূহৰ ভিতৰত মানাহ ৰাষ্ট্ৰীয় উদ্যানখনো প্ৰাকৃতিক সৌন্দৰ্যৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰাকৃতিক দৃশ্যাৱলী, বিভিন্ন গছ-কাছ, বিভিন্ন প্ৰজাতিৰ চৰাই পাহাৰীয়া দৃশ্যাৱলীৰ বাবে দেশী-বিদেশী পৰ্যটক ইয়ালৈ সোঁত বয়। পৰ্যটন স্থলী হিচাপে মানাহ ৰাষ্ট্ৰীয় উদ্যান সকলো ক্ষেত্ৰতেই অতুলনীয়।

মানাহৰ অভ্যন্তৰত ভূটান পাহাৰৰ যি শিলাময় অৱতলৰে মানাহৰ নদী প্ৰবল বেগে খোঁ-খোৱাই নামি বাহিৰ হৈছে, অতুলনীয় প্ৰাকৃতিক দৃশ্য ৰাজিৰ ভৰপূৰ সেই ঠাইত অসম চৰকাৰ আৰু ভূটান চৰকাৰৰ পৰ্যটক নিবাস অৱস্থিত। মানাহৰ প্ৰবেশদ্বাৰত বাঁহবাৰীৰ পৰা মঠৰ গুৰিলৈ দূৰত্ব কুৰি কিলোমিটাৰ। বৰপেটা-ৰোড ৰেলষ্টেচনৰ হৈ বৰপেটা চহৰলৈ আৰু গুৱাহাটীলৈ দূৰত্ব ক্ৰমে ৫৬ আৰু ১৭৬ কিলোমিটাৰ বৰ্তমান মানাহত দেশ-বিদেশৰ পৰ্যটকৰ সমাগম বৃদ্ধি পোৱাত ভাৰত চৰকাৰৰ পৰ্যটন উন্নয়ন নিগমে বাঁহবাৰীত এটা পৰ্যটকৰ নিবাস সজাইছে। মানাহত বছৰৰ বাৰে মাহ বনৰীয়া জীৱ-জন্তু চাব পাৰি যদিও দৰ্শনাৰ্থী তথা পৰ্যটকৰ বাবে অক্টোবৰ মাহৰ পৰা এপ্ৰিল মাহলৈ খৰালিৰ কালছোৱাই সকলো দিশৰ পৰা উত্তম সময়। হাতীৰ পিঠিত উঠি আৰু নাওৰে ভ্ৰমণ কৰি অৰণ্যৰ শোভা আৰু জীৱ-জন্তু চাবৰ বাবে মানাহৰ মঠৰ গাড়ীৰ বিশেষ ব্যৱস্থা কৰা হৈছে।

পৰ্যটন স্থলী হিচাপে মানাহ ৰাষ্ট্ৰীয় উদ্যান খনক চৰকাৰে সকলো ফালৰ পৰা কাৰ্যক্ষম কৰি তুলিছে। ~~মানাহ~~ মানাহৰ প্ৰাকৃতিক দৃশ্য, গছ-গছনি আপুৰুগীয়া নল খাগৰি, দুষ্প্ৰাপ্য জন্তু তথা মাছ, এশিঙীয়া ডাঙৰ জাতৰ গঁড়, বিভিন্ন জাতৰ জীৱ-জন্তু ভিন্ন জাতৰ চৰাই আদি পৰ্যটকক হাত বাউলি দি মাতি থাকে।

OXFORD

# পৰ্যটশিল্পী বিকাশত চৰকাৰৰ ভূমিকা

অসমৰ পৰ্যটনৰ প্ৰচাৰ আৰু বাবে নীতি আৰু কাৰ্য্য ক্ৰমণিকা তৈয়াৰ কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ পৰ্যটক বিভাগ হৈছে প্ৰধান প্ৰতিষ্ঠান এই মস্তৰ ভাৰসাম্যতাযুক্ত বিকাশৰ বাবে উক্ত বিভাগে বিভিন্ন ইয়াৰ অংশিদাৰ সকলৰ সৈতে পৰামৰ্শৰ আদান প্ৰদান কৰাৰ লগতে সহযোগিতাত বজাই ৰাখে।

১৯৫৮ চনত অসম পৰ্যটক বিভাগৰ প্ৰতিষ্ঠা কৰা হৈছে। আৰম্ভণিৰ পৰা প্ৰত্যাহ্বান পূৰ্ণ বহু দূৰ বাট অতিক্ৰম কৰাৰ অন্তত ৰাজ্যৰ পৰ্যটন বিভাগৰ আৰ্থ-সামাজিক উন্নয়নৰ ব্যাপক সম্ভাৱনা পূৰ্ণ্য মঞ্চ হিচাপে আজিৰ বিশ্বই আকোৱালি লৈছে। পৰ্যটন উন্নয়নৰ উদ্দেশ্যৰে যিবোৰ প্ৰকল্পৰ বিপৰিতে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰে সেইবোৰ প্ৰকল্প ৰূপায়নৰ অগ্ৰগতিৰ বিষয়ে পৰ্যটন বিভাগ নিৰিক্ষণ কৰাৰ বাবে দায়বদ্ধ।

চৰকাৰৰ নীতি সমূহৰ ৰূপায়ন। কাৰ্য্যকৰী কৰাটোৱে পৰ্যটন সঞ্চালয়ৰ মূল কাম সঞ্চালক বছৰেকীয়া পৰিকল্পনা, পৰিপেক্ষিত পৰিকল্পনা আৰু দৰ্শন পৰিকল্পনা আদিবোৰ প্ৰস্তুত কৰাৰ বাবেও দায়বদ্ধ। অগ্ৰাধিকাৰ ভিত্তিত বাজেটৰ সুবিধা কৰা, ৰাজ্য চৰকাৰৰ আইন আৰু নীতি সমূহ বাস্তৱায়ীত কৰাৰ দায়িত্বও পৰ্যটন সঞ্চালয়ৰ উপৰতেই ন্যস্ত।

## পৰ্যটন বিভাগৰ দায়িত্ব আৰু কাৰ্য্যাৱলী

সমূহ তলত উল্লেখ কৰা হ'ল:—

(i) নীতি মূলক বিষয় সমূহক:-

⇒ উন্নয়ন মূলক নীতি
⇒ খনিৰ উৎপাদৰ সৃষ্টি
⇒ প্ৰচাৰ আৰু বজাৰকৰণ
⇒ উন্নয়নৰ কৌশল

(ii) পৰিকল্পনা

(iii) আন বিভাগ, জিলা উপায়ুক্ত সকলৰ সৈতে সমন্বয় ৰক্ষা কৰা।

(iv) আন্তঃ গাঁথনি আৰু উৎপাদৰ উন্নয়ন

⇒ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ সাহায্য অংশীদাৰিত্ব,

(v) প্ৰকল্প সমূহৰ পৰ্য্যবেক্ষণ আৰু মূল্যাংকণ

(vi) প্ৰতিষ্ঠাপনৰ বিষয় সমূহ

(vii) বিষয়া সকলৰ কাম-কাজৰ সামগ্ৰিক ~~পৰ্য্যালো~~ পৰ্য্যালোচনা।

১৯৫৮ চনত অসম পৰ্য্যটন বিভাগৰ প্ৰতিষ্ঠা
কৰা হৈছিল। আৰম্ভণিৰে পৰা প্ৰত্যাহ্বান পূৰ্ণ বহু দূৰ বাট
অতিক্ৰম কৰাৰ অন্তত ৰাজ্যৰ পৰ্যটন বিভাগক আৰ্থ-সামাজিক
উন্নয়নৰ ব্যাপক সম্ভাৱনা পূৰ্ণ মন্ত্ৰ হিচাপে আজিৰ বিশ্বই
আকোৱালি লৈছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চৰকাৰৰ ভূমিকা কাৰণে
অসম চৰকাৰেই খৰচ বহন কৰে। অসম চৰকাৰে সদায় মানাহ
ৰাষ্ট্ৰীয় উদ্যান এক বিকাশিত পৰ্যটন স্থলীত পৰিণত কৰা মন্ত্ৰ
সহকাৰে গুৰুত্ব প্ৰদান কৰি আহিছে। ভাৰতীয় বন্য-প্ৰাণী
সংস্থা আৰু ৱাইল্ড লাইফ ফাণ্ডেও মাজে সময়ে সময়ে মানাহ
ৰাষ্ট্ৰীয় উদ্যান আৰু অধিক আধুনিক কৰণ কৰাৰ বাবে সক-
-লো প্ৰকাৰৰ দিহা পৰামৰ্শ দিয়াৰ লগতে আৰ্থিক সাহায্য
আগবঢ়ায়।

পৰ্যটক সকলৰ অধিক মনোৰঞ্জন দিয়াৰ বা-
-বে উদ্যান কতৃপক্ষই ৰাষ্ট্ৰীয় পথৰ কাষতে ঘো ঘূৰ ঘূৰি কৰি
ফুৰা বিচিত্ৰ পশু পক্ষীবোৰ চাবলৈ পোৱাটো এটা অতি আন-
-ন্দ দায়ক অভিজ্ঞতা। ফলত পৰ্যটকৰ অহা যোৱা আৰু
অন অৰণ্যৰ ভিতৰত ঘূৰিফুৰাত যেন কোনো অসুবিধাৰ সন্মুখীন
নহয়।

## * যোজনা শিৰোনামিত *

“ পৰ্যটন স্থলী হিচাপে মানাহ ৰাষ্ট্ৰীয় উদ্যান ”

উপৰৰ প্ৰকল্পটোক মুঠতে সাতটা অধ্যায়ত বিভক্ত কৰা হৈছে। তলত প্ৰকল্পটোত বিষয়বোৰ বিষয়ে আভাস দিয়া হ’ল।

### প্ৰথম অধ্যায়ত

“ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ইতিহাস ” ৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়ত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ জন্ম লগ্নৰ বিষয়ে বিৱৰণ দিয়া হৈছে। ১৯৮৫ চনত মানাহ অভয়াৰণ্যক UNESCO ৰ অধীনত World Heritage Site লৈ ৰূপান্তৰ কৰা হৈছে। ১৯২৮ চনত মানাহক অভয়াৰণ্য হিচাপে ঘোষনা কৰা, হিমালয়ৰ পৰা ওলোৱা মানস নদী আৰু মানাহ নামৰ উৎপত্তিৰ আদি বিষয়ে আ-লোচনা কৰা হৈছে। গৌৰীপুৰৰ ৰজাই মানাহক চিকাৰ স্থলী হিচাপে ব্যৱহাৰৰ কথাও ভুমুকি দিয়া হৈছে।

### * দ্বিতীয় অধ্যায় *

“ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভৌগলিক অৱস্থান ” ৰ ক্ষেত্ৰত ভুটান পাহাৰৰ পাদদেশ চুমি প্ৰায় ২০ কিলোমিটাৰ দক্ষিণলৈ বিস্তৃত হৈ থকা অন্য ওচৰমান সংৰক্ষিত বনাঞ্চল সংযোগ হৈ আছে। এই অধ্যায়ত মানাহ

ৰ লগত মুক্ত হোৱা নদী, উদ্যান আদিৰ বিষয়ে আলোচনা কৰা হৈছে। মানাহ অভয়াৰণ্যৰ বিস্তৃতি গোটেই মানাহৰ অঞ্চল জুৰি প্ৰায় ২,৮৩৭ বৰ্গ কিলোমিটাৰ আগুৰি আছে।

## * তৃতীয় অধ্যায় *

"মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ চাৰিসীমা" বিষয়ে আলোচনা কৰা হৈছে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ অৱস্থিতি বৰ্তমান অসমৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, বজালী, দৰং, ওদালগুৰি, বঙাইগাঁও জিলাৰ এটা অংশ আৰু ভাৰত ভুটান সীমান্তৰ এক বিশাল বনাঞ্চলক সামৰি এই ৰাষ্ট্ৰীয় উদ্যান মনত গঠিত হৈছে সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে।

## * চতুৰ্থ অধ্যায় *

"মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ আকৰ্ষণ"

এই অধ্যায়টো এটা গুৰুত্বপূৰ্ণ অধ্যায়। এই অভয়াৰণ্যত কেইবা বিধ দুষ্প্ৰাপ্য বন্যপ্ৰাণীৰে সমৃদ্ধ মানাহ অঞ্চল আজি সমগ্ৰ বিশ্বৰ ভিতৰত এখন লেখত ল'ব লগীয়া ৰাষ্ট্ৰীয় উদ্যান আপুৰুগীয়া বন্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বিটিছ চৰকাৰে যোৱা প্ৰথমে ১৯০৭ চনত মানাহ সংৰক্ষিত বনাঞ্চল গঠন কৰি তাত সৰ্বে মৰে চিকাৰ কাৰ্য নিষিদ্ধ কৰে। এই অধ্যায়ত জীৱ-জন্তুৰ ক্ষেত্ৰত আপুৰুগীয়া নলগাহৰি, সুন্দৰ দেখী টেকীয়া ডৰীয়া বাঘ,

কুৰাং কুকুৰ ভালুক, বাঘ, হাতী, দল হৰিণ, এটা খড়্গৰ গড়, লেতুৰ জাতৰ গড়, মাগাৰি কটা পাজু, বিভিন্ন জাতৰ বন্য মাছ, ভিন্ন জাত পৰিভ্ৰমী চৰাই আদিৰ বিষয়ে আলোচনা কৰা হৈছে। দুষ্প্ৰাপ্য জন্তুবা মাছ মানাহৰ অন্যতম সম্পদ বুলি কোৱা হৈছে।

## * পঞ্চম অধ্যায় *

"মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ উদ্ভিদ ৰাজি" সম্বন্ধে আলোচনা কৰা হৈছে।

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ গছ-গছনি আৰু ঘাঁহনিয়ে জাত ভেদে বিভিন্ন বন্যপ্ৰাণীক যেনেদৰে মুক্তভাৱে বসবাস তথা বিচৰণ কৰিবলৈ সুযোগ দিছে তেনেদৰে তাৰ অৰণ্যভূমিয়ে, নিজকে মূল্যবান গছ-গছনিৰে সমৃদ্ধ কৰি ৰাখিছে। বিজ্ঞানী সকলে উদ্যান খনত পাঁচশতাধিক অধিক প্ৰজাতিৰ উদ্ভিদ চিনাক্ত কৰিছে। তৃণ, বৃক্ষ, গুল্ম, লতা জাতীয় উদ্ভিদ আদিৰ বিষয়ে আলোচনা কৰা হৈছে বিশ্বৰ দুষ্প্ৰাপ্য ময়ূৰ গছৰ উপৰিও ভেতাঘিলা, শিৰীষ, মেজাং কাৰি, মৰিজাল, বহঁত আদি বিভিন্ন গছ-গছনিৰ উপৰিও বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে।

এই অধ্যায়ত বিভিন্ন ফুল যেনে:- পালাশ, মদাৰ, শিমূল লগতে বিভিন্ন জাতৰ কপৌ ফুলৰ বিষয়ে ইংগিত দিয়া হৈছে।

## * ষষ্ঠ অধ্যায় *

"পৰ্যটন স্থলী হিচাপে মানাহ



OXFORD